**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-11-2024
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***
***::::::::::::::::::::::::::::::::::::::::***

ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। কাইলৈ এই প্ৰচাৰ অভিযানৰ অন্ত পৰাৰ পূৰ্বে দলসমূহে নিজ নিজ প্ৰাৰ্থীৰ হৈ ভোটাৰৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি চামগুৰি বিধানসভা সমষ্টিত দলটোৰ প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

মন্ত্ৰী কেশৱ মহন্তইও চামগুৰিত মিত্ৰজোটৰ প্ৰাৰ্থীগৰাকীৰ হৈ কালি প্ৰচাৰ সভাত অংশ লয়। ধলাই সমষ্টিত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰচাৰ সভাত অংশ লয়।

ইফালে কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধীৰ উপ-দলপতি গৌৰৱ গগৈয়ে বিহালীত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। সাংসদ ৰকিবুল হুছেইনে বিহালীত, চামগুৰিত কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই দলীয় প্ৰাৰ্থীৰ হৈ কালি প্ৰচাৰ চলায়। আনহাতে চামগুৰিত নিৰ্বাচনী প্ৰচাৰৰ সময়ত ৰাজনৈতিক হিংসাৰ ঘটনা অব্যাহত আছে। কালি ৰাজনৈতিক অৰিয়াঅৰিৰ ফলস্বৰূপে সমষ্টিটোত গুলী চালনাৰ ঘটনা সংঘটিত হয়। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সামাজিক মাধ্যমযোগে চামগুৰিত সংঘটিত গুলীয়াগুলীৰ ঘটনাৰ বিষয়ে প্ৰকাশ কৰি এই ঘটনা কংগ্ৰেছ দলৰ হতাশাৰ প্ৰতিফলন বুলি উল্লেখ কৰে।

ৰাজ্যৰ উপ নিৰ্বাচন হবলগীয়া ৫ টা সমষ্টিৰ ভিতৰত আম আদমী পাৰ্টীয়ে বিহালী আৰু চামগুৰি সমষ্টিত প্ৰতিদ্বন্দিতা কৰিছে।

উল্লেখযোগ্য যে, ৩৪ গৰাকী প্ৰাৰ্থীয়ে এই উপ-নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়াইছে। উপ-নিৰ্বাচন হ'বলগীয়া ধলাই সমষ্টিত ৮ গৰাকী প্ৰাৰ্থীয়ে, চামগুৰি সমষ্টিত ১১ গৰাকী আৰু ছিদলী সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বিহালী সমষ্টিত ৪ গৰাকী আৰু বঙাইগাঁৱৰ আসনখনৰ বাবে ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

OOOOOOO

সমগ্ৰ বিশ্বত সংক্ৰামক ৰোগৰ প্ৰতিৰোধ আৰু জনস্বাস্থ্য সুৰক্ষিত কৰাৰ ক্ষেত্ৰত প্ৰতিষেধকৰ ভূমিকাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে আজি বিশ্ব টীকাকৰণ দিৱস পালন কৰা হ'ব। এই দিনটোত প্ৰতিগৰাকী ব্যক্তিয়ে সহজে জীৱন ৰক্ষাকাৰী প্ৰতিষেধক লাভ কৰাৰ বাবে অবিৰত প্ৰচেষ্টাৰ আৱশ্যকতাত আলোকপাত কৰা হয়। এনে ধৰণৰ টীকাকৰণৰ জৰিয়তে পলিঅ', প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুকে ধৰি ভালেমান ঘাটক ৰোগ নিৰ্মূল কৰাৰ ক্ষেত্ৰত ভাৰতে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত দেশৰ নিৰ্ধাৰিত টীকাকৰণ লক্ষ্যৰ ৯৩ দশমিক ২-৩ শতাংশক সামৰি লোৱা হৈছে। সাৰ্বজনীন টীকাকৰণ আঁচনিৰ জৰিয়তে

পলিঅ', বসন্ত, হেপাটাইটিছ্-বি কে ধৰি ১২ বিধ ৰোগৰ বাবে বিনামূলীয়া প্ৰতিষেধক প্ৰদান কৰা হয়। ইউ-উইন প'ৰ্টেলৰ জৰিয়তে হিন্দীকে ধৰি ১১টা আঞ্চলিক ভাষাত এতিয়া গৰ্ভৱতী মহিলা আৰু ১৭ বছৰ বয়সলৈকে শিশু আৰু কিশোৰক প্ৰতিষেধক প্ৰদানৰ ডিজিটেল তথ্য অন্তৰ্ভুক্ত কৰা হৈছে। চলিত বৰ্ষৰ ছেপ্তেম্বৰত এই মঞ্চত ৬ কোটি ৪৬ লাখ হিতাধিকাৰীৰ পঞ্জীয়ন হৈছে আৰু ইয়াৰ এক কোটি ৪ লাখ প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

ভাৰতে ২০২১ চনৰ জানুৱাৰীত আৰম্ভ কৰা কোভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কাৰ্যসূচী সমগ্ৰ বিশ্বতে সফলৰূপে পৰিগণিত হৈছে। বিগত বৰ্ষৰ জানুৱাৰীত এই কাৰ্যসূচীৰ অধীনত ২২০ কোটিৰো অধিক প্ৰতিষেধক প্ৰদান কৰা হৈছে। ইয়াৰে ৯৭ শতাংশ যোগ্য হিতাধিকাৰীক কমেও এপালি প্ৰতিষেধক প্ৰদান কৰাৰ বিপৰীতে ৯০ শতাংশক দুপালি প্ৰতিষেধক প্ৰদান কৰা হৈছে।

০০০০০০০

ভাৰতে সৌৰ সহযোগিতাৰ পাছতে জৈৱ ইন্ধনৰ সহযোগিতাৰ ক্ষেত্ৰত সমগ্ৰ বিশ্বক সজাগ কৰাৰ প্ৰয়াস কৰিব। অসম তথা উত্তৰ পূৰ্বাঞ্চলতো জৈৱ ইন্ধনৰ ক্ষেত্ৰত যথেষ্ট সম্ভাৱনা আছে আৰু ইয়াৰ দ্বাৰা নতুন প্ৰজন্মই স্বাৱলম্বী হোৱাৰ পথ প্ৰশস্ত হ'ব পাৰে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ডং অৰূপ কুমাৰ মিশ্ৰ আৰু নুমলীগড় তেল শোধনাগাৰৰ কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ উপদেষ্টা নিকুঞ্জ বৰঠাকুৰে এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁলোকে কয় যে, জৈৱ ইন্ধনৰ ব্যৱহাৰৰ দ্বাৰা পৰিবেশ প্ৰদূষণ হ্ৰাস কৰাৰ লগতে অৰ্থনীতি টনকীয়াল হোৱাৰ সম্ভাৱনা থাকে। এই ইন্ধনৰ ব্যৱহাৰে গ্ৰীন হাউছ্ গেছৰ নিৰ্গমন ৰোধ কৰাৰ উপৰি কাৰ্বন প্ৰাবল্য হ্ৰাস কৰি পৃথিৱীত জীৱৰ অস্তিত্বৰ বাবে পৰিবেশ অনুকুল কৰি ৰাখে। তেওঁলোকে লগতে কয় যে, জৈৱ ইন্ধনৰ অন্তহীন উৎস থকাৰ পৰিপ্ৰেক্ষিতত এই ইন্ধনৰ নাটনি হোৱাৰ কোনো আশংকা নাথাকে। আৱৰ্জনা, বিভিন্ন বৰ্জ সামগ্ৰী আদি ব্যৱহাৰৰ দ্বাৰাও জৈৱ ইন্ধন উৎপাদন কৰিব পাৰি বুলি তেওঁলোকে কয়। ভাৰতে জৈৱ ইন্ধনৰ ব্যৱহাৰৰ ওপৰত আৰোপ কৰা গুৰুত্বৰ বাবে ২০১৪ চনত জীৱাশ্ম ইন্ধনৰ সৈতে ইথানল মিশ্ৰন ১ দশমিক ৪ শতাংশৰ পৰা যোৱা বছৰত ১৫ শতাংশলৈ বৃদ্ধি পাইছে বুলি তেওঁলোকে জানিবলৈ দিয়ে। এই মিশ্ৰন ২০ শতাংশলৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। যুৱ প্ৰজন্ম জৈৱ ইন্ধন উৎপাদনৰ দ্বাৰা স্বাৱলম্বী হ'ব পাৰে বুলি উল্লেখ কৰি তেওঁলোকে কয় যে এই ইন্ধনৰ এখন উন্নত বজাৰ আছে আৰু সংশ্লিষ্ট কোম্পানীসমূহে উৎপাদিত স্থানৰ পৰাই এই ইন্ধন ক্ৰয় কৰে। অৱশ্যে এইক্ষেত্ৰত মাটিৰ চাহিদা, পানীৰ প্ৰয়োজন অধিক আদিৰ বাবে কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হয় যদিও এনে প্ৰত্যাহ্বান গ্ৰহণ কৰি সফল হ'ব পৰা যায় বুলি তেওঁলোকে কয়।

০০০০০০০

**সমাপ্ত**